# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কোকৰাঝাৰ আৰু ছালাকাটি ষ্টেচনৰ মাজৰ বোমা বিস্ফোৰণ সংঘটিত হোৱা ৰে'লপথছোৱা পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অঞ্চলটোত সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে শীৰ্ষ আৰক্ষী বিষয়া আৰু ৰে'লৰে সুৰক্ষা বাহিনীৰ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। শ্ৰীসিঙে ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে ঘটনা সন্দৰ্ভত কিছু তথ্য লাভ কৰা হৈছে আৰু তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে। উল্লেখযোগ্য যে কোকৰাঝাৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগৰ এই ৰে'লপথছোৱাত যোৱা নিশা এটা শক্তিশালী আই ই ডি বিস্ফোৰণৰ ফলত ৰে'ল পথছোৱাৰ প্ৰায় ৩ ফুট ক্ষতিগ্ৰস্ত হয়। যুদ্ধকালীন ক্ষীপ্ৰতাৰে ৰে'লপথছোৱা মেৰামতিৰ লগতে তন্ন তন্নকৈ সুৰক্ষা ব্যৱস্থা পৰীক্ষাৰ পাছত আজি পুনৰ এই পথেৰে সাময়িকভাৱে বন্ধ কৰা ৰে'লসমূহৰ চলাচল আৰম্ভ হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘটনা সন্দৰ্ভত সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এই সংক্ৰান্তত এজন লোকক অসম আৰক্ষীয়ে চিনাক্ত কৰিছে বুলি প্ৰকাশ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

পূৰ কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীয়েও আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি বড়োলেণ্ডৰ শান্তি সম্প্ৰীতি বিঘ্নিত কৰিব বিচৰা দুৰ্বৃত্তক শীঘ্ৰে চিনাক্ত কৰি উলিয়াবলৈ আহ্বান জনায়।

ooooo

পবিতৰা অভয়াৰণ্য আজি পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হয়। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অভয়াৰণ্যখন ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। বাৰিষাৰ বাবে বন্ধ হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে। অভয়াৰণ্যখন মুকলি কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী পাটোৱাৰীয়ে এইবাৰৰ পৰ্যটন বৰ্ষত পবিতৰালৈ পূৰ্বৰ দৰে পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে পবিতৰাৰ বন্যপ্ৰণী আৰু উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা প্ৰকল্প স্থানীয় ৰাইজৰ সহযোগিতাৰে ৰূপায়ণ কৰা হ'ব বুলি উল্লেখ কৰে।

পৰ্যটকসকলে এতিয়াৰে পৰা অভয়াৰণ্যখনত জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। পবিতৰাত বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় আছে। উল্লেখযোগ্য যে

১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বিচৰণ কৰিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১বিধ মাছ আৰু ৩৭৫টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীৰে সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি ন্যায় সমদল উলিয়াই সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰসন্থা আৰু কামৰূপ জিলা ছাত্ৰসন্থাৰ উদ্যোগত গুৱাহাটীৰ উজান বজাৰৰ ছহিদ ন্যাস ভৱনৰ পৰাও পুৰা ন্যায় সমদল উলিওৱা হয়। ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা এই সমদলৰ জৰিয়তে জুবিন গাৰ্গৰ মৃত্যুৰ পানী নসৰকা তদন্ত কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনোৱা হয়। ন্যায় সমদলত অংশ লৈ ছাত্ৰসন্থাৰ সভাপতি উৎপল শৰ্মাই কয়, যে জুবিন গাৰ্গক মৃত্যুক লৈ কোনো অস্পষ্টতা থাকি যাব নোৱাৰিব। কাৰ গাফিলতিত কি ধৰণেৰে শিল্পী গৰাকীৰ মৃত্যু হ'ল সেয়া অসমৰ ৰাইজে জানিব লাগিব বুলি তেওঁ উল্লেখ কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই কয়, যে ৰাজ্যৰ প্ৰতিখন জিলা সদৰত ছাত্ৰ সন্থাই ন্যায় বিচাৰি এই প্ৰতিবাদ সাব্যস্ত কৰিছে। এছ আই টিয়ে দোষী সাৰি যাব নোৱৰাকৈ সাক্ষ্য প্ৰমাণ সহ এখন শক্তিশালী অভিযোগনামা দাখিল কৰিব লাগিব তেওঁ মন্তব্য কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা  আঁচনিৰ অধীনত বঙাইগাঁও বিধানসভা সমষ্টিৰ ২০ হাজাৰ ৩০৮ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই অভিযানৰ জৰিয়তে ৰাজ্যৰ ১২৬ টা সমষ্টিৰ প্ৰায় ৪০ লাখ আত্মসহায়ক গোটৰ ৩২ লাখৰো অধিক মহিলাই উদ্যমিতা পুঁজিৰ ধন লাভৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় কৰাত বিশেষ ভূমিকা পালন কৰিব বুলিও আশা কৰা হৈছে। কৃষি, পশুপালন, হস্ততাঁত, হস্তশিল্প আদি বিভিন্ন ক্ষেত্ৰত এই মহিলা উদ্যমীসকলে জীৱিকাৰ পথ প্ৰশস্ত কৰি আগবাঢ়ি গৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

সমাপ্ত